❑❑❑... অসমে ইতিমধ্যে ১৯৫১-১৯৭১ চনৰ ভিতৰত অসমত চামে চামে প্ৰৱেশ কৰা কেইবালক্ষ অনুপ্ৰৱেশকাৰীৰ বোজা বহন কৰি আহিছে। এতিয়া ১৯৭১ চনৰ পিছত অবৈধভাৱে অসমত অনুপ্ৰৱেশ কৰা হিন্দু আৰু মুছলমান দুয়োটা সম্প্ৰদায়ৰ লাখ লাখ মানুহৰ অতিৰিক্ত বোজাই অসমক পিষ্ট কৰিব ধৰিছে। হিন্দু আৰু মুছলমান আৰু অন্য ধৰ্মীয় সম্প্ৰদায়ৰ যিসকল লোক অসমৰ বৈধ নাগৰিক, যিসকল লোকে বিভিন্ন ভাষা ব্যৱহাৰ কৰে, তেওঁলোকৰ লগতে ১৯৫১-১৯৭১ৰ ভিতৰত অসমত বৈধ নাগৰিকৰ স্বীকৃতি পোৱা হিন্দু আৰু মুছলমান সম্প্ৰদায়ৰ সকলো মানুহেই, তেওঁলোকৰ সতি-সন্ততি আৰু বংশধৰসকলে উশাহ ল'ব পৰাকৈ অসমত ঠাই পাব লাগিব। ই তেওঁলোকৰ মৌলিক অধিকাৰ ... ❑❑❑

# 'কা' প্ৰত্যাহাৰ কৰক, অসমত 'কা' বলৱৎ কৰাৰ পৰা বিৰত থাকক

❑ প্ৰদীপ ভূঞা

'কেব' নামৰ বিধেয়কখন সংসদৰ উভয় সদনত গৃহীত হোৱাৰ পিছত ব্ৰহ্মপুত্ৰ উপত্যকাত যিবোৰ ঘটনা ঘটিছে, সিয়েই প্ৰমাণ কৰে যে আইনখনক লৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ মানুহ ভীষণ অসন্তুষ্ট হৈছে। বেছিকৈ অসন্তুষ্ট হৈছে যুৱক সমাজ, কাৰণ ১৯৭১ চনৰ পিছত অসমত প্ৰৱেশ কৰা অবৈধ বাংলাদেশীয়ে যুৱক সমাজৰ ভৱিষ্যৎ বিপন্ন কৰিব বুলি ভাবি তেওঁলোক নিজৰ ভৱিষ্যতক লৈ আতংকিত হৈ উঠিছে।

১৯৫১ চনৰ পৰা ১৯৭১ চনলৈকে অতীতৰ পূৰ্ব পাকিস্তানৰ পৰা হিন্দু আৰু মুছলমান উভয় সম্প্ৰদায়ৰে যিবোৰ মানুহ অসমত প্ৰৱেশ কৰিছিল, তেওঁলোক সকলোকে গ্ৰহণ কৰি অসমে মহানুভৱতাৰ পৰিচয় দি থৈছে। ১৯৫৫ চনৰ নাগৰিক আইন ৬ এ-ধাৰা অনুযায়ী তেওঁলোক এতিয়া ভাৰতীয় নাগৰিক আৰু বৃহত্তৰ অসমীয়া জাতিৰ অংশ।

এতিয়া ১৯৭১ চনৰ পিছত যিবোৰ অবৈধ বাংলাদেশী অসমলৈ আহিছে, তেওঁলোকৰ সংখ্যা কিমান হ'ব পাৰে বুলি আমি আলোচনা কৰি আছোঁ?

২০০৪ চনৰ ১৪ জুলাইত ৩৩২ নম্বৰৰ এটা তাৰকাযুক্ত প্ৰশ্নৰ উত্তৰ দি কেন্দ্ৰীয় মন্ত্ৰী প্ৰকাশ জয়ছোৱালে সদনত কৈছিল যে অসমত বাস কৰা অবৈধ বাংলাদেশীৰ সংখ্যা অসমত ৫০ লাখ হ'ব। প্ৰতি দশকত ভাৰতৰ জনসংখ্যা ২১ শতাংশ হাৰত বৃদ্ধি হয় বুলি ধৰি লোৱা হৈছে। সেই অনুসৰি অসমত থকা বিদেশী বাংলাদেশীৰ সংখ্যা ২.১ শতাংশ হয় বুলি ধৰি ল'লে অসমত এতিয়া অবৈধ বাংলাদেশীৰ সংখ্যা হয় প্ৰায় ৬৫ লাখ।

ওপৰত উল্লেখ কৰা সংখ্যাবোৰক লৈ কোনেও আপত্তি উত্থাপন কৰিব নোৱাৰে, কাৰণ এই সংখ্যাবোৰ লোৱা হৈছে অসমকে ধৰি ভাৰতৰ আটাইবোৰ ৰাজ্যৰ বাংলাদেশী জনসংখ্যা সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰে সংসদত দিয়া উত্তৰৰ পৰা। এই কথা ক'লেই যথেষ্ট হ'ব যে ১৯৭১ চনৰ পিছত অসমত অনুপ্ৰৱেশ কৰা বাংলাদেশীৰ সংখ্যাটো হ'ব এটা অতি বৃহৎ সংখ্যা। '৭১ চনৰ পিছত অসমলৈ অহা এই বাংলাদেশীসকলে সত্ৰৰ মাটি, বনাঞ্চলৰ মাটি, নৈৰ পাৰ, নদীদ্বীপ, ৰাষ্ট্ৰীয় উদ্যানকে ধৰি ৰাজ্যখনৰ প্ৰতিটো চুকে-কোণে থকা মাটি দখল কৰিছে।

উত্তৰ প্ৰদেশ, ৰাজস্থান, মধ্যপ্ৰদেশ ইত্যাদি বৃহৎ ৰাজ্যবোৰৰ তুলনাত অসম অপেক্ষাকৃতভাৱে এখন ক্ষুদ্ৰ ৰাজ্য। ১৯১৫ চনত অসমৰ জনসংখ্যা আছিল ৩.৪০ কোটি। যিহেতু বড়োলেণ্ড আৰু কাৰ্বি আংলং স্বায়ত্তশাসিত অঞ্চলত C(A)A প্ৰযোজ্য নহ'ব, সেই গোটেই অঞ্চলটো আমাৰ হিচাপৰ পৰা বাদ দিলে আৰু লগতে ব্ৰহ্মপুত্ৰকে ধৰি বহুত নদী, বনাঞ্চল, পাহাৰ আৰু চাহ বাগিচা অসমৰ মুঠ ৮০ হাজাৰ বৰ্গকিলোমিটাৰ অঞ্চলৰ পৰা বাদ দিলে আমাৰ মানুহখিনিৰ বাবে ঠাইৰ নাটনি হয়। তেনেস্থলত আমি সেইখিনি ঠাইতেই ১৯৭১ চনৰ পিছত অহা বাংলাদেশীসকলৰ লগত ঠেলা-হেঁচা কৰি বাস কৰিবলৈ বাধ্য হৈছোঁ।

১৯৮৫ চনৰ অসম চুক্তিৰ চৰ্ত অনুযায়ী প্ৰতিজন বাংলাদেশীকে চিনাক্ত কৰি বহিষ্কাৰ কৰিব লাগিব। বহিষ্কৰণটো এটা বিবদমান বিষয় হ'ব পাৰে, কিন্তু চুক্তিখনৰ নিৰ্দেশ অতি পৰিষ্কাৰ। বাংলাদেশীসকলক অসমৰ পৰা স্থানান্তৰ কৰিবই লাগিব। এতিয়া C(A)Aৰ জৰিয়তে চৰকাৰে ১৯৭১ চনৰ পিছত অসমলৈ অহা বাঙালী হিন্দু শৰণাৰ্থীসকলক নাগৰিকত্বৰ অধিকাৰ দিব খুজিছে। ২০১৯ চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীয়ে প্ৰায় ১৯ লাখ মানুহৰ নাগৰিকত্বৰ আবেদন নামঞ্জুৰ কৰিছে। তেওঁলোকৰ ভিতৰত প্ৰায় ১৪ লাখ মানুহেই হ'ব বাংলাদেশী হিন্দু। বাংলাদেশৰ ৯-১০ শতাংশ মানুহ হিন্দু, অৰ্থাৎ বাংলাদেশত প্ৰায় ১.৫ কোটিমান হিন্দু আছে। এই কথা ধৰি ল'ব পাৰি যে অন্ততঃ কেইলাখমান বাঙালী হিন্দু ভিত্তিবৰ্ষ বুলি নিৰ্দিষ্ট কৰা ২০১৪ চনৰ ডিচেম্বৰ মাহৰ পিছতো দলে দলে অসমত প্ৰৱেশ কৰিব। তেওঁলোকে সেইটো কৰিব পাৰিব মাত্ৰ কেইখনমান জাল নথি-পত্ৰ সংগ্ৰহ কৰি।

কিন্তু ১৯৭১ চনৰ পিছত অসমত প্ৰৱেশ কৰা এজনো শৰণাৰ্থীৰ কাৰণে অসমত ঠাই নাই।

**C(A)A প্ৰত্যাহাৰ কৰক**

দেশৰ ভিতৰে-বাহিৰে C(A)A নামৰ এই আইনখন বিপুলভাৱে নিন্দিত আৰু সমালোচিত হৈছে, কাৰণ আইনখনত ধৰ্মৰ ৰহণ লগোৱা হৈছে বুলি এটা ধাৰণা গঢ় লৈ উঠিছে। আইনখনে গণতন্ত্ৰৰ মূল নীতিবোৰ অগ্ৰাহ্য কৰিছে বুলি আমেৰিকা যুক্তৰাষ্ট্ৰৰ দুটা সংস্থাই আইনখনৰ সমালোচনা কৰিছে। সেই সংস্থা দুটা হৈছে— আন্তৰ্জাতিক ধৰ্মীয় স্বাধীনতা আৰু আমেৰিকা সংসদৰ বিদেশ পৰিক্ৰমা কমিটী।

ভাৰতৰ বহুতো ৰাজ্যই এই আইনখন বলৱৎ নকৰে বুলি ঘোষণা কৰিছে। যিহেতু ই এখন সৰ্বভাৰতীয় আইন, গতিকে সেই আইনখন কাৰ্যকৰী নকৰে বুলি ঘোষণা কৰি ৰাজ্যকেইখনে দেশৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাটোৰ প্ৰতিয়েই প্ৰত্যাহ্বান জনাইছে। এনে পৰিস্থিতিত এই আইনখনক সমৰ্থন কৰাটো বা আইনখনৰ সপক্ষে ওকালতি কৰাটো কিমানদূৰ গ্ৰহণযোগ্য, সেই কথা কেন্দ্ৰীয় চৰকাৰে নিজকে সোধা উচিত। আমাৰ মতে আইনখন প্ৰত্যাহাৰ কৰাৰ বাহিৰে আন গত্যন্তৰ নাই।

কিন্তু যদিহে চৰকাৰে আইনখন প্ৰত্যাহাৰ নকৰে, তেন্তে তলত দিয়া যুক্তিকেইটাৰ কাৰণে অসমক সেই আইনখনৰ আওতাৰ বাহিৰত ৰাখিব লাগিব।

ক। অসমে ইতিমধ্যে ১৯৫১ আৰু ১৯৭১ চনৰ ভিতৰত পূব পাকিস্তানৰ পৰা অসমত অনুপ্ৰৱেশ কৰা বিপুলসংখ্যক মানুহৰ বোজা গ্ৰহণ কৰিব লগা হৈছে।

খ। ১৯৭১ চনৰ পিছত অসমলৈ অহা বিপুলসংখ্যক বাংলাদেশীয়ে ৰাজ্যখনৰ প্ৰতিটো চুকে-কোণে বসতি স্থাপন কৰিছে, যাৰ ফলত অসমৰ নাগৰিকসকলে নিজৰ গৃহভূমিতেই বিদেশীৰ লগত ঠেলা-হেঁচা কৰি বাস কৰিবলৈ বাধ্য হৈছে।

মণিপুৰকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যকেইখনক ইনাৰলাইন পাৰ্মিট বলৱৎ থকাৰ কাৰণে সেইকেইখন ৰাজ্যত C(A)A বলৱৎ নকৰাৰ সিদ্ধান্ত লোৱা হৈছে। সেই একে সিদ্ধান্ত অসমৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব লাগিব, অৰ্থাৎ C(A)Aৰ আওতাৰ পৰা অসমক মুক্ত কৰি ৰাখিব লাগিব। বহুতে অসমৰ কাৰণেও ইনাৰলাইন পাৰ্মিট বিচাৰে, কিন্তু আচলতে অসমৰ কাৰণে ইনাৰলাইন পাৰ্মিটৰ কোনো প্ৰয়োজন নাই। আমি এটা বীৰত্বপূৰ্ণ অতীতৰ উত্তৰাধিকাৰী আৰু আমাৰ তৰুণ প্ৰজন্মৰ মানুহবোৰ বুদ্ধি-বৃত্তিত পৰিণত, আত্মবিশ্বাসী আৰু তেওঁলোকৰ নিজৰ স্বপ্ন আছে। অসমত ইনাৰলাইন পাৰ্মিট প্ৰৱৰ্তন কৰাটো হ'ব এটা পশ্চাদগামী পদক্ষেপ।

যদি অসমৰ ক্ষেত্ৰত C(A)A প্ৰয়োগ নকৰাৰ সিদ্ধান্ত লোৱা হয়, তেন্তে ১৯৭১ চনৰ পিছত অসমলৈ অহা অবৈধ বাংলাদেশীসকলে আমাৰ এই বিশাল দেশখনৰ বিভিন্ন স্থানত বসতি স্থাপন কৰিবলৈ এটা তাড়না অনুভৱ কৰিব, কাৰণ তেওঁলোকে উপলব্ধি কৰিব যে অসমত তেওঁলোকে কোনোধৰণৰ মৰ্যাদা বা অধিকাৰ নাপায়, চাকৰি, ভোটাধিকাৰ আৰু অন্যান্য চৰকাৰী সা-সুবিধাবোৰ পাবৰ কাৰণে তেওঁলোক আইনগতভাৱে যোগ্য বুলি বিবেচিত নহ'ব। তাৰ ফলত বাংলাদেশৰ পৰা ভৱিষ্যতে অসমলৈ আহিব খোজা হিন্দু বাংলাদেশীৰ অবাধ জনস্ৰোতৰ পৰা অসমক ৰক্ষা কৰাটো সম্ভৱ হ'ব।

উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যই এই অঞ্চলত C(A)A বলৱৎ কৰাৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিছে।

**C(A)A ঃ মহামান্য উচ্চতম ন্যায়ালয়**

ৰাষ্ট্ৰপতিয়ে স্বাক্ষৰ কৰাৰ পিছত 'কেব' এতিয়া 'কা' অৰ্থাৎ আইনত পৰিণত হ'ল। আছু প্ৰমুখ্যে বিভিন্ন দল-সংগঠনে দাখিল কৰা আবেদনৰ ভিত্তিত এই আইনখন সংবিধানসন্মত হয় নে নহয়, সেই বিষয়ে কেৱল উচ্চতম ন্যায়ালয়েহে সিদ্ধান্ত ল'ব পাৰিব।

আইন সম্পৰ্কীয় বিষয়বোৰে মহামান্য উচ্চতম ন্যায়ালয়ত যিমান সময়ৰ দৰকাৰ সিমান সময় ল'বই। কিন্তু অসমক যদি 'কা'ৰ আওতাৰ বাহিৰলৈ ততালিকে অনা নাযায়, তেন্তে এই আইনখনে অসমক বিভিন্ন প্ৰকাৰে ভয়ানকভাৱে প্ৰভাৱিত কৰিব।

**C(A)A আৰু অসমীয়া মানুহৰ সাংবিধানিক ৰক্ষাকবচ**

থলুৱা মানুহক সাংবিধানিক ৰক্ষাকৱচ দিয়াৰ যি ব্যৱস্থা আছে, তাৰ লগত C(A)Aৰ কোনো সম্পৰ্ক নাই। সাংবিধানিক ৰক্ষা বিষয়টো ১৯৮৫ চনৰ অসম চুক্তিতেই সন্নিৱিষ্ট কৰা হৈছিল আৰু সেই চুক্তিখন বহুত দিনৰ আগতেই কাৰ্যকৰী কৰা উচিত আছিল। অসমে ১৯৫১ চনৰ পৰা ১৯৭১ চনলৈকে অসমত প্ৰৱেশ কৰি বসতি স্থাপন কৰা কেইবালক্ষ লোকৰ বোজা বহন কৰি আহিছে। সেই কাৰণে অসমীয়া খিলঞ্জীয়া লোকসকলক সাংবিধানিক সুৰক্ষা দিবৰ কাৰণে এই চুক্তিখন কৰা হৈছিল। চুক্তিখন ততালিকে কাৰ্যকৰী কৰা দৰকাৰ। সামৰণিত এই কথাকে ক'ব পাৰি যে ওপৰত উল্লেখ কৰা যুক্তিবোৰৰ কাৰণে অসমক তৎক্ষণাৎ 'কা'ৰ আওতাৰ বাহিৰলৈ অনা উচিত। তাৰ কাৰণবোৰ হ'ল—

অসমে ইতিমধ্যে ১৯৫১-১৯৭১ চনৰ ভিতৰত অসমত চামে চামে প্ৰৱেশ কৰা কেইবালক্ষ অনুপ্ৰৱেশকাৰীৰ বোজা বহন কৰি আহিছে। এতিয়া ১৯৭১ চনৰ পিছত অবৈধভাৱে অসমত অনুপ্ৰৱেশ কৰা হিন্দু আৰু মুছলমান দুয়োটা সম্প্ৰদায়ৰ লাখ লাখ মানুহৰ অতিৰিক্ত বোজাই অসমক পিষ্ট কৰিব ধৰিছে।

হিন্দু আৰু মুছলমান আৰু অন্য ধৰ্মীয় সম্প্ৰদায়ৰ যিসকল লোক অসমৰ বৈধ নাগৰিক, যিসকল লোকে বিভিন্ন ভাষা ব্যৱহাৰ কৰে, তেওঁলোকৰ লগতে ১৯৫১-১৯৭১ৰ ভিতৰত অসমত বৈধ নাগৰিকৰ স্বীকৃতি পোৱা হিন্দু আৰু মুছলমান সম্প্ৰদায়ৰ সকলো মানুহেই, তেওঁলোকৰ সতি-সন্ততি আৰু বংশধৰসকলে উশাহ ল'ব পৰাকৈ অসমত ঠাই পাব লাগিব। ই তেওঁলোকৰ মৌলিক অধিকাৰ।

**লেখক আইআইটিয়ান আৰু অশীতিপৰ নাগৰিক**